অসম

উচ্ছেদিত পৰিয়ালৰ পুনৰ সংস্থাপনৰ দাবীত ধুবুৰীত কংগ্রেছৰ জিলা আয়ুক্তক স্মাৰক-পত্র প্রদান

ধুবুৰীৰ আলমগঞ্জ নৱম খণ্ডত উচ্ছেদ অভিযানৰ পাছত কংগ্রেছৰ চাৰিজন বিধায়কে জিলা আয়ুক্তক স্মাৰক-পত্র দিছে।

প্রকাশ: ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৮



(Social media)

ধুবুৰী, ৭ নৱেম্বৰঃ ধুবুৰী জিলাৰ আলমগঞ্জ নৱম খণ্ডত প্রশাসনে চলোৱা উচ্ছেদ অভিযানৰ পাছত গৃহহীন হোৱা পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ দাবীত সৰৱ হৈ পৰিছে বিৰোধী কংগ্রেছ। উচ্ছেদিত পৰিয়ালসমূহক জৰুৰী সাহায্য প্রদান আৰু স্থায়ীভাৱে পুনৰ সংস্থাপনৰ দাবীত অসম বিধানসভাৰ বিৰোধী দলপতি তথা বিৰসিং জৰুৱা সমষ্টিৰ বিধায়ক ৱাজেদ আলী চৌধুৰীৰ নেতৃত্বত কংগ্রেছৰ চাৰিজনীয়া বিধায়কৰ প্রতিনিধি দলে ধুবুৰীৰ জিলা আয়ুক্তক সাক্ষাৎ কৰি স্মাৰক-পত্র প্রদান কৰে।

স্মাৰক-পত্রখনত উচ্ছেদৰ ফলত গৃহহীন হোৱা পৰিয়ালসমূহক জৰুৰীভাৱে খাদ্য, খোৱাপানী আৰু আশ্রয়ৰ ব্যৱস্থা কৰাৰ লগতে স্থায়ী পুনৰ সংস্থাপন নিশ্চিত কৰিবলৈ দাবী জনোৱা হয়। ইয়াৰ উপৰি উচ্ছেদিত এলেকাত থকা কবৰস্থান আৰু মাজাৰসমূহ সংৰক্ষণৰ বাবেও প্রশাসনৰ হস্তক্ষেপ বিচাৰে কংগ্রেছৰ প্রতিনিধি দলটোৱে।

প্রতিনিধি দলটোৰ নেতৃত্ব দিয়া ৱাজেদ আলী চৌধুৰীয়ে এই বিষয়ত এআইইউডিএফক সমালোচনা কৰে। তেওঁৰ

অভিযোগ, উচ্ছেদিত এলেকাত এআইইউডিএফে অপপ্রচাৰ চলাইছে। আনহাতে, কংগ্রেছ দল আৰু কর্মীসকল উচ্ছেদিত পৰিয়ালসমূহৰ কাষত আছে বুলি দাবী কৰি তেওঁলোকৰ ন্যায়ৰ বাবে আইনী আৰু ৰাজনৈতিকভাৱে যুঁজ অব্যাহত ৰখাৰ কথা ঘোষণা কৰে।

জিলা আয়ুক্তক সাক্ষাৎ কৰা প্রতিনিধি দলটোত ৰাজেদ আলী চৌধুৰীৰ উপৰি আব্দুছ ছোবহান আলী সৰকাৰ, বেবী বেগম আৰু আশ্রাফুল ইছলাম সেখ উপস্থিত থাকে।

উচ্ছেদ অভিযানৰ পাছৰে পৰা অঞ্চলটোত সৃষ্টি হোৱা পৰিস্থিতিক লৈ স্থানীয় লোকৰ মাজত প্রতিক্রিয়া অব্যাহত আছে। উচ্ছেদিত লোকসকলৰ মৌলিক অধিকাৰ আৰু ন্যায় নিশ্চিত নোহোৱালৈকে প্রতিবাদ অব্যাহত ৰখাৰ কথা প্রকাশ কৰিছে কংগ্রেছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1080/dhubri-congress-seeks-resettlement-evicted-families